بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ১০ জুলাই তাৰিখত মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনা ছিৰাতাল মুছতাকিম ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - যোৱা জুমাৰ খোতবাত বৰ্ণনা কৰা হৈছে যে আহজাবৰ যুদ্ধৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে আল্লাহ তায়ালাৰ ফালৰ পৰা বণু কুৰাইজাক তাৰ বিশ্বাস ঘাতকতাৰ বাবে শাস্তি বিহিবলৈ নিৰ্দেশ লাভ কৰিছিল। গতিকে বণু কুৰাইজাৰ সৰু যুদ্ধ এটা হৈছিল। সেই সংঘৰ্ষত বণু কুৰাইজাক যুদ্ধ বন্ধী হিচাপে আটক কৰিছিল। তেতিয়া বণু কুৰাইজায় হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ৰ ৰায় গ্ৰহনত সন্মত হৈছিল। সেয়ে হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়ে ৰায় প্ৰদান কৰিছিল। এই যুদ্ধৰ বিষয়ে বৰ্ণনা কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এঠাইত লিখিছে যে - আহজাবৰ যুদ্বৰ বিছ দিন মান পিছতহে মুছলমান সকলে শান্তিৰ নিশ্বাস লব় পাৰিছিল। কিন্তু তেতিয়া বণু কুৰাইজাৰ মামলাটো মিমাংসা কৰিব লগা আছিল। তেওঁলোকৰ বিশ্বাস ঘাতকতা এনেকুৱা নাছিল যে সেয়া এনেয়ে এৰি দিব পৰা যায়। গতিকে ৰছুলে কৰিম (ছাঃ)য়ে ঘুৰি মদিনাত অহাৰ ক্ষণকালতেই চাহাবা সকলক কৈছেলি যে ঘৰতে বহি জিৰণি লোৱাৰ সময় নাই, বৰং আবেলি হোৱাৰ প্ৰাক ক্ষণতেই বণু কুৰাইজাৰ দুৰ্গত উপস্থিত হোৱাগৈ। মুছলমান সকলে তালৈ যোৱাৰ লগে লগে ইহুদী সকলে দুৰ্গৰ দোৱাৰ বন্ধ কৰি দিছিল আৰু মুছলমান সকলৰ লগত যুদ্ধ আৰম্ভ কৰিছিল, এনেকি ইহুদী মহিলা সকলেও সেই কাজিয়াত ভাগ লৈছিল। কিন্তু কিছুদিন বণু কুৰাইজাৰ দুৰ্গ অৱৰোধ কৰি ৰখাৰ পিছত ইহুদী সকলে উপলব্দি কৰিছিল যে তেওঁলোকৰ দীৰ্ঘ দিনলৈকে এনেদৰে যুদ্ধ চলাই যাব নোৱাৰে। তেতিয়া ইহুদী চৰদাৰ সকলে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আবেদন জনাইছিল যে তেওঁলোকৰ ওচৰলৈ আবুল বাবা আনছাৰীক ইহুদী সকলৰ ওচৰত পঠাইছিল। তেখেতৰ পৰা ইহুদী সকলে পৰামৰ্শ বিচাৰিছিল যে - মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ এই দাবী যে আমি তেখেতৰ ৰায় মানি লৱলৈ বাধ্য থাকি আত্ম সমৰ্পন কৰিব লাগে। এয়া আমি মানি লম নেকি ? তেতিয়া আবুল বাবা আনছাৰীয়ে মুখেৰে কৈছিল হয় - হয় ! মানি লোৱা কিন্তু নিজৰ হাতখন নিজৰ টেটুৰ ওপৰেদি এনেদৰে ইংগিতেৰে নিছিল যিটো আচলতে হত্যা কৰাৰ ইংগিত বুজাইছিল। ৰছুলুল্লাহ (ছাঃ)য়ে তেতিয়াও নিজৰ ফালৰ কোনো ৰায় প্ৰকাশ কৰা নাছিল কিন্তু আবুল বাবা আনছাৰীয়ে মনে মনে ভাৰিছিল যে ইহুদী সকলৰ এই অন্যায়ৰ শাস্তি মৃত্যুদণ্ড নহে নো আৰু কি হব। সেয়ে ভৱা চিন্তা নকৰাকৈ ইংগিতেৰে তেওঁলোকৰ এনে এটা কথা বুজাইছিল যি অৱশেষত গৈ ইহুদী কুৰাইজা গোত্ৰৰ ধংসৰ কাৰণ হৈ পৰিছিল। গতিকে আবুল বাবৰ ইংগিতৰ অৰ্থ হত্যাৰ ফালে ;নি লৈ গৈ ইহুদী সকলে কৈছিল যে - আমি মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ ৰায় মানিব বুলি সন্মত হলহেতেঁন তেন্তে বৰ বেছি বেলেগ ইহুদী কবিলাৰ দৰে কুৰাইজা গোত্ৰইও মাত্ৰ এই শাস্তিই পালোহেতেঁন যে তেওঁলোকক মদিনাৰ পৰা খেদি দিয়া হলহে। কিন্তু তেওঁলোকৰ এয়া দুৰ্ভাগ্য যে তেওঁলোকে কৈছিল - আমি মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ মিমাংসা মানি লৱলৈ সাজু নহওঁ। বৰং আমি আমাৰ বন্ধু কবিলা আউচৰ চৰদাৰ ছাআদ বিন মুৱাজৰ ৰায় মানি লম। যি ৰায় তেওঁ আগবঢ়াব আমি তালৈ সন্মত আছোঁ।

ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁলোকৰ এই দাবী মানি লৈছিল। তেতিয়া হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়ে বণু কুৰাইজাৰ দুৰ্গৰ কাষলৈ গৈছিল, য'ত বণু কুৰাইজা, দুৰ্গৰ দোৱালৰ কাষত থিয় হৈ হজৰত ছাআদ লৈ অপেক্ষা কৰি আছিল। ইয়াৰ বিপৰীত ফালে মুছলমান সকলে বহি আছিল। হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়ে প্ৰথমে নিজৰ সম্প্ৰদায়ক সুধিছিল যে - আপোনাকে প্ৰতিশ্ৰুতি বদ্ধ হবনে যে মই যি ৰায় প্ৰদান কৰিম, আপোনালোকে সেয়া গ্ৰহন কৰিব ? তেতিয়া তেওঁলোকে কৈছিল হয় ! আমি মানি লবলৈ বাধ্য আছো। ইয়াৰে পিছত হজৰত ছাআদ (ৰাঃ)য়ে বণু কুৰাইজাক সুধিছিল কিয়

আপোনালোকে বাধ্য আছেনে যে যি ৰায় মই প্ৰদান কৰিম, সেয়া আপোনালোকে মানি লব ? ইয়াৰ পিছত হজৰত ছাআদে লাজ লাজকৈ আনফালে দৃষ্টি ৰাখি কোমল মাতেৰে ৰছুলুল্লাহ (ছাঃ)ক সুধিছিল আপুনি সন্মত আছেনে ? ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল হয় ! সন্মত আছো। ইয়াৰ পিছত হজৰত ছাআদে যেতিয়া তিনিও পক্ষৰ শপত লৈ লৈছিল তেতিয়া ছাআদ (ৰাঃ)য়ে বাইবেলৰ আদেশ অনুযায়ী এয়া ৰায় শুনাইছিল যে বাইবেলত লিখা আছে - "আৰু যেতিয়া তুমি কোনো চহৰলৈ গৈ তাৰ বাসিন্দাৰ সৈতে যুদ্ধ ঘোষনা কৰা, আগতে সিহঁতলৈ সন্ধিৰ প্ৰস্তাৱ আগবঢ়োৱা। তেতিয়া এয়া হব যে যদি সিহঁতে সন্ধি কৰিবলৈ সন্মত হৈ তোমাৰ বাবে দুৱাৰ খুলি দিয়ে তেন্তে চহৰৰ যিমান বাসিন্দা আছে সকলোৱে তোমাৰ কৰতলীয়া হব আৰু তোমাৰ সেৱা কৰিব আৰু যদি সিহঁতে তোমাৰ সৈতে সন্ধিত বাধ্য নহৈ যুদ্ধ কৰে,তেন্তে সিহঁতক ঘেৰাও কৰি লোৱা আৰু যেতিয়া তোমাৰ খোদা বন্দে তোমাৰ খোদা সিহঁতক তোমাৰ নশ কৰি দিব তেতিয়া সেই ঠাইৰ প্ৰত্যেকজন পুৰুষক তৰোৱালেৰে হত্যা কৰিবা কিন্তু নাৰী আৰু বালক-বালিকা আৰু পোহনীয়া জন্তুবোৰ আৰু যিবোৰ বস্তু সেই চহৰত আছে, সেইবোৰ সকলো ধন-মাল তোমাৰ দায়িত্ব লবা, আৰু তুমি তোমাৰ শত্ৰুৰ সেই ধন-মাল, যিবোৰ খোদা বন্দে তোমাৰ খোদা তোমাৰ আয়ত্বাধীন কৰি দিয়ে সেয়া খাবা (লৈ লবা)।

হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়ে বাইবেলত এই বাক্যবোৰ পঢ়ি শুনাইছিল আৰু এই অনুযায়ী বণু কুৰাইজাক ৰায় প্ৰদান কৰিছিল। হজৰত (ছাআদ (ৰাঃ) যদিও বণু কুৰাইজাৰ সহায়কাৰী আৰু বন্ধু আছিল তথাপি যেতিয়া তেওঁ দেখিছিল যে ইহুদী সকলে প্ৰান ৰক্ষী ইছলামী চৰিয়ত অনুযায়ী মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰায় মানি লবলৈ বাধ্য নহয়, তেতিয়া ছাআদ (ৰাঃ)য়ে সেই ৰায় ইহুদী সকলক শুনাইছিল, যি হজৰত মুছা (আঃ)য়ে এনে ঘটনাৰ আগতেই পৃথকীকৰণ নীতি এৰি থৈ গৈছিল। এই ৰায়ৰ ক্ষেত্ৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ) বা মুছলমান সকলে কোনো ধৰণৰ দায়ী নহয় কাৰণ এয়া তেওঁলোকৰ কিতাপ অনুযায়ী দিয়া আদেশ আছিল। এই সিদ্ধন্তৰ বাবে দোষী হল মুছা (আঃ) আৰু তৌৰাতৰ বিধান আৰু সেই সকল ইহুদী দায়ী যি সকলে হাজাৰ হাজাৰ বছৰ ধৰি ভিন্ন সম্প্ৰদায়ৰ লগত এনে বিধানেই প্ৰয়োগ কৰি আহিছিল। আনহাতে এওঁলোকক মহম্মদ ৰছুলুল্লাহ (ছাঃ) দয়াৰ অধীনলৈ মাতা হৈছিল কিন্তু তেওঁলোকে সেয়া অস্বীকাৰ কৰিছিল আৰু কৈছিল যে আমি মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ কথা মানি লবলৈ প্ৰস্তুত নহয় সেয়ে তৌৰাতৰ বিধান অনুযায়ী হজৰত ছাআদ (ৰাঃ)য়ে বণু কুৰাইজাক মৃত্যু দণ্ডৰ আদেশ দিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে লিখিছে যে - আজি ঈছাই সকলে চিঞৰ বাখৰ কৰে যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)য়ে এয়া অন্যায় কৰিছে। কিয় ! ঈছাই লিখক সকলে এয়া দেখা নেপায় নে যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)য়ে বেলেগ কোনো ঘটনাতেই কিয় অন্যায় কৰা নাই ? বাকী কতো দেখোন তেখেত (ছাঃ)য়ে কৰা অন্যায় দেখিবলৈ পোৱা নাযায় বৰং ইয়াৰ বিপৰীতে এয়া দেখা যায় যে শ শ বাৰ শত্ৰু সকলে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ দয়াৰ ওপৰত নিজকে নিজে সমৰ্পন কৰিছিল আৰু প্ৰত্যেক বাৰেই মহম্মদ ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁলোকক ক্ষমা কৰি দিছিল। কিন্তু ইতিহাস চালে এয়া এবাৰেই এনেকুৱা দেখা যায় যে শত্ৰু সকলে কৈছিল যে আমি মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ ৰায় মানি নলওঁ। গতিকে যদি ইহুদী সকলৰ ওপৰত কোনোবাই অত্যাচাৰ কৰিছে তেন্তে সেয়া ইহুদী সকলেই নিজৰ প্ৰাণৰ ওপৰত নিজে জুলুম কৰিছে, যি সকলে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ সিদ্ধান্ত (ৰায়) মানি লবলৈ অস্বীকাৰ কৰিছে।

উক্ত ঘটনা সম্পৰ্কে হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে আৰু কিছুমান কথা বৰ্ণনা কৰিছে। তেখেতে লিখিছে যে - আংহজৰত (ছাঃ)য়ে যেতিয়া হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ৰ এই ৰায় (আদেশ) শুনিছিল, তেতিয়া হঠাতে কৈ উঠিছিল যে - তোমাৰ এই ৰায় এটা খোদাই তকদিৰ, যি টলাব নোৱাৰে। গতিকে তেখেত (ছাঃ)য়ে হজৰত ছাআদ (ৰাঃ)ক কৈছিল যে "কাদ হাকামতা বি হুকমিল্লাহ" অৰ্থ্যাৎ হে ছাআদ তোমাৰ এই ৰায় দেখোন খোদাই তকদিৰ বুলি অনুমান হয়, যাক পৰিবৰ্তন কৰিবলৈ কাৰো শক্তি নাই।সম্ভৱত এই সময়তেই তেখেত (ছাঃ) য়ে দুখেৰে সৈতে এয়াও কৈছিল যে যদি ইহুদী সকলৰ পৰা দহ, বাৰ জন লোকেওমোৰ ওপৰত ঈমান স্থাপন কৰিলেহেঁতেন তেন্তে মই খোদা-তায়ালাৰ ওপৰত আশা কৰিব পাৰিলোহেঁতেন যি গোটেই সম্প্ৰদায়টোৱে মোক মানি লব আৰু খোদাই শাস্তিৰ হাত সাৰি যাব।

বনু কুৰাইজাৰ এই ঘটনা সংক্ৰান্তে কিছুমান অমুছলিম হতিহাসবিদে বৰ অপচন্দনীয় ভাৱে আঁহজৰত (ছাঃ) ৰ ওপৰত দোষ জাপি দিয়ে আৰু তেখেত (ছাঃ)ক (নাওজুবিল্লাহ) অত্যাচাৰী আৰু হত্যাকাৰী আখ্যা দিয়ে। হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে লিকিছে যে এই অভিযোগৰ প্ৰথম উত্তৰত এয়া মনত ৰাখিব লগীয়া কথা যে বনু কুৰাইজাৰ সম্পৰ্কে দিয়া যি ৰায়ক অত্যাচাৰ আখ্যা দিয়া হয় সেয়া ছাআদ বিন মুৱাজৰ মুখেৰে প্ৰদান কৰা ৰায় (আদাশ) আছিল। সেয়া আঁহজৰত (ছাঃ) ৰ আদেশ বা ৰায় নহয় । দ্বিতীয় কথা হল যে এয়া ৰায় পৰিস্থিতিৰ প্ৰয়োজন সপেক্ষে মুঠেই ভূল বা অন্যায় নাছিল। তৃতীয় উত্তৰত কথা হল যে হজৰত ছাআদে এই ৰায় ঘোষণা কৰাৰ আগতে আঁহজৰত (ছাঃ) ৰ পৰা যি প্ৰতিশ্ৰুতি লৈছিল, সেই

অনুসাৰে ৰছুলুল্লাহ (ছাঃ) য়ে  দায়বদ্ধ হৈ পৰিছিল যে যিকোনো অৱস্থাতেই প্ৰতিশ্ৰুতি অনুযায়ী কাম কৰিব লাগিছিল। আকৌ যেতিয়ালৈকে এই লোক সকলে বন্ধি অৱস্থাত আছিল , তেখেত (ছাঃ) য়ে তেওঁলোকৰ থকা খোৱাৰ ব্যৱস্থা উন্নত মানৰ যোগান ধৰিছিল। লগতে তেখেত(ছাঃ) য়ে  এয়া আদেশ দিছিল যে এজন মুজৰিমক(দোষীক) হত্যা কৰাৰ সময়ত যেন অইন মুজৰিমে সেয়া দেখা নাপায়। ইয়াৰ ওপৰিও যি জন সম্পৰ্কে তেখেত (ছাঃ) ৰ ওচৰত দয়াৰ বাবে আবেদন কৰা হৈছিল, তেখেত (ছাঃ) য়ে সেয়া লগে লগে গ্ৰহণ কৰিছিল আৰু কেৱল সেই লোক সকলোক প্ৰান বিক্ষাই দিয়া নাছিল বৰং তেওঁলোকৰ পৰিয়াল বৰ্গ আৰু ধন মাল সম্পৰ্কে আদেশ দিছিল যে এইবোৰ সিঁহতক ঘুৰাই দিয়া হওঁক। ইয়াতকৈ আৰু ডাঙৰ দয়া সহানুভূতি এজন মুজৰিমৰ সৈতে কি হব পাৰে?  গতিকে ইয়াত কেৱল এয়াই নহয় যে বণু কুৰাইজাৰ ঘটনাৰ বাবে আঁহজৰত (ছাঃ)ৰ ওপৰত কোনো ধৰণৰ আপত্তি উঠিব নোৱাৰে বৰং সত্য কথা হল এয়া যে এই ঘটনাৰ সম্পূৰ্ণ কাহিনী আঁহজৰত (ছাঃ)ৰ উত্তম চৰিত্ৰ আৰু সুন্দৰ ব্যৱস্থাপনা আৰু তেখেত (ছাঃ)ৰ চাৰিত্ৰিক দয়া সহানুভূতিৰ এক উজ্বল প্ৰমান। এই ঘটনা সম্পৰ্কে মাৰ্গোলিছৰ দৰে ইতিহাস বিদেও এয়া স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে ছাআদৰৰ এই ৰায় দিয়াটো অৱস্থা অনুযায়ী বাধ্যতামূলক হৈ পৰিছিল। ইয়াৰ বাহিৰে বেলেগ উপায় নাছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - আৰু এটা কথা মনত ৰখা উচিত যে আঁহজৰত (ছাঃ) আৰু ইহুদী সকলৰ মাজত প্ৰথমে যি চুক্তি সম্পন্ন হৈছিল, সেই চুক্তিৰ চৰ্তত এয়া উল্লেখ আছিল যে যদি ইহুদী সকলৰ সম্পৰ্কে এনে কোনো মিমাংসা কৰিব লগীয়া ঘটনা ঘটে তেন্তে সেই মিমাংসা তেওঁলোকৰ চৰিয়ত অনুযায়ী কৰা হব। গতিকে ইতিহাসত উল্লেখ পোৱা যায় যে এই চুক্তি অনুযায়ী আঁহজৰত (ছাঃ)য়ে সদায় ইহুদী সকলৰ লগত উদ্ভৱ হোৱা সকলো সমস্যা চৰিয়ত মুছবীৰ বিধান অনুসৰি সমাধান কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বণু কুৰাইজাৰ লগত হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ৰ যি সম্পৰ্ক আছিল সেয়া ওপৰোক্ত বৰ্ণনাত যথেষ্ট পৰিস্ফুট হৈছে। হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা কিছু অংশ বাকী থাকিল। বাকী খিনি ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হব।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ আইঃ য়ে মকৰৰমা হাবিয়া ৰুকিয়া খালিদ চাহিবা, মকৰৰমা ছফিয়া বেগম চাহিবা, মকৰম আলি আহমদ চাহাব আৰু মকৰৰমা ৰফিকা বিবি চাহিবাৰ চমু পৰিচয়েৰে সৈতে নমাজে জানাজা গায়েব পৰাৰ ঘোষনা কৰে। এওঁলোকে কিছুদিন পূৰ্বে মৃত্যুবৰণ কৰিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। হুজুৰ আনোৱাৰ (আইঃ)য়ে উক্ত মৰহুমিন সকলৰ লগত সেই সকল ব্যক্তিৰ নমাজে জানাজা গায়েব মিলায় লয়, যি সকলৰ লক ডাউনৰ কাৰণে নমাজে জানাজা লোক সমবেত হৈ পঢ়িব পৰা হোৱা নাছিল। (আমিন)

"আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওযা নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ"।

**Assamese Khulasa Khutba Jumma Huzoor Anwar  10 JULY . 2020**

**(BOOK POST PARINTED MATTER)**

**To**

---------------------------------------------------------------------------

--------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844